# হেপাহৰ ঘৰ
# (বাটৰ নাট)

(মুঠ সাত জন লোক লাগিব। এগৰাকী মহিলা)

এটা আহল বহল চক। চাৰিগৰাকী যুৱক-যুৱতীয়ে (ঘ-ঙ-চ-ছ) হাতত প্লেকাৰ্ডলৈ জনসমাগমৰ মাজলৈ আহিব। শ্লোগান দিব, "বাসস্থানৰ অধিকাৰ মৌলিক অধিকাৰ", "আমাৰ ঘৰ আমাৰ সপোন, শৌচালয়, খোৰাপানী সভ্যতাৰ দাপোন।" শ্লোগান দি দি জনসমাগমৰ মাজত বহি ফ্রিজ হৈ যাব।

জনসমাগমে বেহুৰ আকৃতি লব। তাৰ মাজত দুজন লৰা ক আৰু খ, এজনী ছোৱালী গ। তিনিও বেহুৰ মাজত সোমাই "চহৰাঞ্চল সকলোৰে বাবে ঘৰ" / "প্ৰধানমন্ত্ৰী আৱাস যোজনা-চহৰীয়া" শীৰ্ষক প্লেকাৰ্ডলৈ ঘূৰণীয়া হৈ নাচিব আৰু নাচি নাচি বহি পৰিব।

হেপাহৰ ঘৰ

সপোনৰ ঘৰ

চহৰাঞ্চলত সকলোৰে বাবে

প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ।

ঘ ঃ বহাৰ পৰা উঠিব।

ঘ ঃ কি হেপাহৰ ঘৰ হেপাহৰ ঘৰ বলকি আছ ও ইহতে।

ঙ ঃ জানো, মই হলে একো উম ঘাম পোৱা নাই।

চ ঃ এওঁলোকে চৰকাৰৰ নতুন গৃহ নিৰ্মান আঁচনিৰ বিষয়ে কৈছে-- প্ৰধানমন্ত্ৰী আৱাস যোজনা- চহৰীয়া।

ঘ ঃ কি আঁচনি কি জনা আছে ভাই।

হেৰৌ, দৰিদ্ৰও নহলো মই আঁচনিৰ ধন পাবলে

ধনীও নহলো মই চহৰত ফ্লেট কিনিবলৈ। (বিহুগীতৰ সুৰত)

ঙ ঃ এৰা ভাই। আমাৰ দৰে লোকৰ নগৰৰ ভাড়া ঘৰতেই জীৱন যাব। কোনে বাৰু কয়- জীৱন বৰ অনুপম। হা-হা-হা

ঘ ঃ তথাপি তোমালোকৰ সুবিধা আছে। বোলো ঘৰ ভাড়াই দিম, নে ল-ছোৱালীয়ে পঢ়াম নে খামেই। নগৰত ঘৰ সঁজা আৰু আকাশত চাং পতা একেই।

চ ঃ তোমালোকে নিজৰ নিজৰ কথা কলা। মোৰ ভাই বস্তিৰ জীৱন। নাই খোৱাপানী, নাই শৌচাগাৰ। ঘৰ বুলি প্লাষ্টিকৰ গোহালি। কোনেও আমাৰ চকু মেলি নাচায় ভাই।

ঙ ঃ এৰা ভাই, গাওঁত হালৰ মুঠি ধৰি থকাই ভাল আছিল যেন লাগে। অন্তত ঘৰ বুলিতো কিবা আছিল। ভাড়া ঘৰত থকা আৰু কাৰাগাৰত থকা একেই।

ক- খ আৰু গ বহাৰ পৰা উঠিব আৰু পুনৰ গাব--

হেপাহৰ ঘৰ

সপোনৰ ঘৰ

চহৰত সকলোৰে বাবে

প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ।

যাৰ নাই ঘৰ

নকৰিবা চিন্তা

চৰকাৰে আনি দিছে সুন্দৰ সুবিধা...

ঘ-ঙ-চ-ছ ঃ চাৰিও বিশেষ ভংগীমাত একেলগে কান পাতি শুনিব।

কোৰাচ ঃ সকলোৰে বাবে সুবিধা? কি সুবিধা?

ক ঃ ককাইহঁত, নকৰিবা চিন্তা।

খ ঃ প্ৰধানমন্ত্ৰী আৱাস যোজনা নামেৰে আছে চাৰিখন আঁচনি

গ ঃ সকলো আয়ৰ লোকক সাঙুৰি

ক ঃ বস্তিৰ পৰা নগৰলৈ

খ ঃ সকলো শ্ৰেণীৰ লোকৰ বাবে এই আঁচনি।

গ ঃ যাৰ নাই ভাৰতৰ কতো পকীঘৰ

ক ঃ পাব ৰাজসাহায্য পকীঘৰ নিৰ্মানৰ

খ ঃ এটা পৰিয়ালে পাব মাত্ৰ এটাহে সুবিধা।

গ ঃ পিতৃ-মাতৃ আৰু অবিবাহিত সন্তান মিলি যাক একক পৰিয়াল বোলা হয়।

ক ঃ মোবাইল ব্যৱহাৰকাৰী সকলে Pmay-uassam app ডাউনলোড কৰিব।

খ ঃ এই আঁচনিৰ সকলো তথ্য সহজে পাব।

ঘ-ঙ-চ-ছঃ কোৰাচত কব-- সঁচা? সবিশেষ কোৰা ভাই কি এয়া যোজনা।

ক ঃ বস্তি অঞ্চলৰ লোকসকলে পাব নিজাকৈ এটি ঘৰ।

গ ঃ তাৰোপৰি নিৰ্মানৰ কালছোৱাত থাকিবলৈ আছে অস্থায়ী থকাৰ ব্যৱস্থা।

চ ঃ আমাৰোতো ঘৰ নাই, মাটি নাই, ভাড়াঘৰত থাকো। আমি কি পাম?

খ ঃ তোমালোকেও পাবা। যিসকলৰ মাহিলী আয় ২৫০০০/- ৰ কম, তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাব ১.৫ লাখ আৰু ৰাজ্য চৰকাৰৰ পৰা পাব ৫০,০০০/- টকা।

ঘ আৰু ঙ ঃ আমাৰ বাবে কি আছে? ফুটাকড়ি?

গ ঃ যদি আপোনাৰ মাহিলী দৰমহা ২৫,০০০/- টকা, ৩০ বৰ্গমিটাৰ এলাকাত গৃহ নিৰ্মানৰ বাবে পাব ৰাজসাহায্যযুক্ত ঋণ।

খ ঃ ৬.৫০ শতাংশ সুদত ২,৬৭,২৮০ টকা ৰাজসাহাৰ্যত সৰ্বাধিক ৬ লাখ টকা ঋণ।

ক ঃ যিসকলৰ মাহিলী আয় ২৫০০০ টকাৰ উৰ্দ্ধত আৰু ৫০০০০ টকাৰ ভিতৰত, তেওঁলোকে ৬০ বৰ্গমিটাৰ কাৰ্পেট এলেকাত গৃহনিৰ্মানৰ বাবে পাব ৬.৫০ শতাংশ সুদত ২,৬৭,২৮০ টকা ৰাজসাহাৰ্যত সৰ্বাধিক ৬ লাখ টকা ঋণ লাভ কৰিব।

গ ঃ যিসকলৰ মাহিলী আয় ৫০০০০ ৰ উৰ্ধত আৰু এক লাখ টকাৰ ভিতৰত, তেওঁলোকে ৯০ বৰ্গমিটাৰ কাৰ্পেট এলেকাত গৃহনিৰ্মানৰ বাবে ৪ শতাংশ সুদত ২,৩৫,০৬৮ টকা ৰাজসাহাৰ্যত সৰ্বাধিক ৯ লাখ টকা ঋণ লাভ কৰিব।

ক ঃ যিসকলৰ মাহিলী আয় এক লাখৰ উৰ্দ্ধত আৰু এক লাখ, পঞ্চাছ হেজাৰ টকাৰ ভিতৰত, তেওঁলোকে ১১০ বৰ্গমিটাৰ কাৰ্পেট এলেকাত গৃহনিৰ্মানৰ বাবে ৩ শতাংশ সুদত ২,৩০,১৫৬ টকা ৰাজসাহাৰ্যত সৰ্বাধিক ১২ লাখ টকা ঋণ লাভ কৰিব।

গ ঃ ইয়াৰোপৰি যি সকলৰ নিজা মাটি আছে তেওঁলোকেও ৩০ বৰ্গমিটাৰৰ এটি পকী গৃহ নিৰ্মানৰ বাবে পোনপটীয়াকৈ ২ লাখ টকা সাহাৰ্য্য পাব।

খ ঃ আনহাতে যি সকলে তেওঁলোকৰ পূৰ্বৰ পকীঘৰটোৰ সম্প্ৰসাৰন কৰিব বিচাৰে তেওঁলোকেও সৰ্বোচ্চ ২ লাখ টকাৰ ভিতৰত সাহায্য লাভ কৰিব। কিন্তু এটা কথা, তেওঁৰ পূৰ্বৰ গৃহটো ২১ বৰ্গমিটাৰৰ বেছি হব নালাগিব কাৰণ উক্ত আঁচনি মতে সম্প্ৰসাৰিত নতুন গৃহটোৰ ৯ বৰ্গমিটাৰৰ ভিতৰত হোৱাটো বাঞ্চনীয় আৰু এই নতুন গৃহটোৰ সংলগ্নকৈ এটি পাকঘৰ বা এটি শৌচাগাৰ থকা প্ৰয়োজনীয়।

ক ঃ আৰু এটা কথা ঋণসমূহৰ ম্যাদ ২০ বছৰ ভাই।....... পিছে কেনে পালা আঁচনি?

ঘ ঃ আঁচনি ঠিকেই আছে বাৰু। পিছে টেবুলৰ তলেৰে কিমান দিব লাগিব? তাৰ পৰিমানটোও কৈ দিয়া বাপু।

গ ঃ দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰে কৰিছে জেহাদ। যদি কোনো অনুষ্ঠান প্ৰতিষ্ঠান বা কোনো ব্যক্তিয়ে এই আঁচনিৰ ফৰ্ম বা ঘৰ দিয়াৰ প্ৰতিশ্ৰুতিত অসৎ পথ অবলম্বন কৰে তেতিয়া জিলা উন্নয়ন আয়ুক্তক পোনে পোনে দিব পাৰিবা অভিযোগ।

ক ঃ এই আঁচনিৰ ৱেবচাইট www.pmayuassam.in তো সবিশেষ লিখি অভিযোগ দিব পাৰিবা।

খ ঃ আৰু এটা কথা। কোনেও কাৰো প্ৰলোভনত নপৰিবা ভাই। যদিহে যোগ্যতা আছে সকলোৱে পাব। চৰকাৰে পৰিকল্পনা কৰি কৰিছে সকলো।

ঘ-ঙ-চ-ছঃ একেলগে ....... বৰ সুখ পালো ভাই। বৰ সুখ পালো।

ঘ ঃ পিছে এই আঁচনিৰ সুযোগ লবলৈ যোগাযোগ কত কৰিম ভাই?

ক ঃ এই সুবিধাসমূহ পাবলৈ যোগাযোগ কৰিব পাৰে স্থানীয় পৌৰসভা, নগৰ সমিতি, উন্নয়ন প্ৰাধিকৰণ, ৱাৰ্ড মেম্বাৰ, কমন চাৰ্ভিচ চেণ্টাৰ বা অৰুণোদয় কেন্দ্ৰ অথবা www.pmayuassam.in ত আবেদন পত্ৰ উপলব্ধ হব।

খ ঃ তাৰোপৰি ঋণ সংযুক্ত ৰাজসাহায্য আঁচনিৰ অধীনত এল আই জি, এম আইজি ঘৰৰ ঋণৰ বাবে আগ্ৰহী সকলে স্থানীয় বেংকৰ লগত যোগাযোগ কৰিব পাৰে।

গ ঃ বিনামূলীয়া আবেদন পত্ৰ কৰক পুৰণ, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ সুবিধা কৰক গ্ৰহণ।

ঘ ঃ পিছে আবেদন কৰিবলৈ কি কি নথি পত্ৰ লাগিব?

ক ঃ বস্তি এলেকাৰ লোকে আৰু যাৰ আয় ২৫,০০০ হাজাৰ টকাতকৈ কম, তেওঁলোকৰ বাবে নালাগে কোনো নথি।

খ ঃ আনসকলে পৰিয়ালৰ মুৰব্বী জনৰ ফটো, তেওঁ লগতে পৰিয়ালৰ সকলোৰে ভোটাৰ পৰিচয় পত্ৰ, বেংক পাছবুক আৰু মাটিৰ কাগজপত্ৰ।

গ ঃ মাটিৰ কাগজপত্ৰৰ ভিতৰত জমাবন্দী, লেণ্ড হল্ডিং চাৰ্টিফিকেট অৰ্থাৎ মাটি থকাৰ প্ৰমান পত্ৰ, ম্যাদি পট্টা, গিফট ডিড, চেল ডিড, পাৰ্টিচন ডিড আদিৰ যিকোনো এটা লাগিব।

ঙ ঃ আবেদন পত্ৰ কেতিয়া জমা দিব লাগিব?

ক ঃ পৌৰ সভা, নগৰ সমিতিত ১ জুনৰ পৰা ৮ জুনৰ ভিতৰত আবেদন পত্ৰ সমূহ জমা দিব লাগিব।

খ ঃ আবেদন পত্ৰ সমূহ সংগ্ৰহ কৰিব পাৰিব পৌৰ সভা, নগৰ সমিতি, ৱাৰ্ড মেম্বাৰ, ৱেবচাইটৰ পৰা ১১ মেৰ পৰা ৩০ মেৰ ভিতৰত।

গ ঃ আবেদন পত্ৰ জমা লবলৈ স্থানীয় এন.জি.অৰ আদিৰ দ্বাৰা ৱাৰ্ডে ৱাৰ্ডে অস্থায়ী শিৱিৰৰ ব্যৱস্থাও থাকিব।

ঙ ঃ এৰা, ইয়াতকৈ সুন্দৰ খবৰ আৰু কি হব পাৰে?

ক ঃ সেয়ে কৈছো। চহৰাঞ্চলত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ সুবিধা লোৱা।

খ ঃ এনে সুবিধা আৰু কতো নাপাবা।

গ ঃ ৰাজসাহাৰ্য্যত নিজা ঘৰ নিৰ্মান কৰি লোৱা।

ঘ-ঙ-চ-ছঃ একেলগে ... তেনেহলে গাও আহা একেলগে

হেপাহৰ ঘৰ

সপোনৰ ঘৰ

নগৰত সকলোৰে বাবে

প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ।

ক-খ-গ-ই গাব....

যাৰ নাই ঘৰ

নকৰিবা চিন্তা

চৰকাৰে আনি দিছে সুন্দৰ সুবিধা.......

(আধুনিক সমবেত সংগীতৰ সুৰত)